**REGIONAL NEWS UNIT**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**DATE : 14-06-2025** **TIME : 0900 HRS**

***ASSAMESE MORNING BULLETIN***
***HEADLINES***
***--------------------***

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ৰ জেইল ৰোডত ২০৬ কোটি টকা ব্যয় সাপেক্ষে এ এম চি এইছ চিটী হাস্পতালৰ আধাৰশিলা স্থাপন।
২। মুখ্যমন্ত্ৰীৰ ধুবুৰী ভ্ৰমণৰ পাছতে জিলা আৰক্ষী অধীক্ষকক বদলি।
৩। গুজৰাটৰ আহমেদাবাদত হোৱা প্ৰাণনাশক বিমান দুৰ্ঘটনাৰ তদন্ত অব্যাহত।
৪। গুৱাহাটী মহানগৰীক বানমুক্ত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ বাহিনী নৈৰ খনন আৰু সংৰক্ষণৰ বাবে ১৮৩ কোটি টকাৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত।

আৰু

৫। লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত দক্ষিণ আফ্ৰিকা জয়ৰ দিশত অগ্ৰসৰ।

০০০০০০০

স্বাস্থ্য সেৱাৰ উন্নয়নৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ জেইল ৰোডত এ এম চি এইছ চিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰিব। বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত এছিষ্ট প্ৰকল্পৰ অধীনত ২০৬ কোটি টকা ব্যয় সাপেক্ষে ২৮ হাজাৰ ৮৪৪ বৰ্গ মিটাৰ এলেকাজুৰি এই হাস্পতালখন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে ডিব্ৰুগড়ৰ ফুল বাগানৰ পুৰণি চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, চিকিৎসা, শিক্ষা আৰু গৱেষণা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। নতুনকৈ নিৰ্মাণ হ'বলগীয়া ছয় মহলাযুক্ত এই হাস্পতাল ভৱনত মাল্টি স্পেছিয়েলিটি আৰু অন্যান্য অত্যাধুনিক সুবিধাসমূহ উপলব্ধ হ'ব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ দুদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ সময়ত ডিব্ৰুগড়ৰ সচিবালয়ত মাজুলী, মাহমৰা, আৰু ধেমাজিৰ চিচিবৰগাঁৱকে ধৰি কেইবাটাও বিধানসভা সমষ্টিৰ উন্নয়নমূলক কামকাজৰ পৰ্যালোচনা কৰিব। ড০ শৰ্মাই দেওবাৰে দিহিং খামতিঘাটতো এখন ৰাজহুৱা সভাত ভাগ ল'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ধুবুৰী ভ্ৰমণৰ পাছতে ৰাজ্য চৰকাৰে ফিল্ড অপাৰেচন আৰু পৰিচালনাৰ সুবিধা তথা জন হিতাৰ্থে অসম আৰক্ষীৰ ধুবুৰী, হাইলাকান্দি আৰু অপৰাধ অনুসন্ধান শাখাৰ জ্যেষ্ঠ আৰক্ষী

অধীক্ষক পদত কিছু সালসলনি কৰিছে। সেই অনুসৰি হাইলাকান্দিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক লীনা দলে অতি সোনকালে ধুবুৰীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ দায়িত্ব গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

উল্লেখযোগ্য যে, ধুবুৰী চহৰৰ আইন-শৃংখলা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰখাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক নিৰ্দেশ দিছে। ধুবুৰীৰ আৱৰ্ত ভৱনত কালি জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশ লৈ মুখ্যমন্ত্ৰীয়ে সন্ধিয়া আৰু নিশাৰ ভাগত দুষ্কৃতিকাৰীক দেখা মাত্ৰকে গুলীওৱাৰ আনুষ্ঠানিক নিৰ্দেশ জাৰি কৰে। ধুবুৰীলৈ শীঘ্ৰে ৰেপিড এক্সন ফোৰ্চ আৰু কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ অতিৰিক্ত বেটেলিয়ান পঠিওৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

গুজৰাটৰ আহমেদাবাদত হোৱা প্ৰাণনাশক বিমান দুৰ্ঘটনাৰ তদন্ত অব্যাহত আছে। ফৰেনচিক বিশেষজ্ঞৰ দলে কালি দুৰ্ঘটনাস্থলীত তন্ন তন্নকৈ সকলোবোৰ দিশ পৰীক্ষা কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, সেই স্থানৰ পৰা এটা ব্লেকবক্স উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে এয়াৰ ট্ৰেফিক সেৱা অৰ্থাৎ এ টি এছৰ দলে বিমান দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ পৰা এটা ডিজিটেল ভিডিঅ' ৰেকৰ্ডাৰ উদ্ধাৰ কৰে। দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। এই দুৰ্ঘটনাৰ পাছতে কাষৰীয়া অঞ্চলসমূহৰ কেইবাজনো লোক সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে। সম্প্ৰতি তেওঁলোকৰ সন্ধানতো অভিযান অব্যাহত আছে। আমাৰ সংবাদদাতাই জনোৱা মতে, ৭ টাতকৈ অধিক মৃতদেহ পৰিয়ালৰ সদস্যসকলক গটাই দিয়া হৈছে আৰু ২০০ তকৈ অধিক ডি এন এৰ নমুনা মৃতদেহ চিনাক্তকৰণৰ বাবে সংগ্ৰহ কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই আজি চাবুৱাৰ বালিজানৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ প্ৰথমটো বানত ডিব্ৰুগড় জিলাৰ বিভিন্ন অঞ্চলত ব্যাপক ৰূপ ধাৰণ কৰাৰ লগতে বহু সা-সম্পত্তি ধ্বংস হৈছে। পৰৱৰ্তী সময়ত বালিজান, বিন্ধাকতা, বগৰীতলিয়া আদি অঞ্চলত খহনীয়াই তীব্ৰ ৰূপধাৰণ কৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। স্থানীয় বিধায়ক পোনাকন বৰুৱা, বিনোদ হাজৰিকাকে ধৰি জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে এই ভ্ৰমণকালত মন্ত্ৰী দুগৰাকীক সংগ দিব।

০০০০০০০

অসম চৰকাৰে লাচিত বৰফুকনৰ বীৰত্বপূৰ্ণ জীৱনগাথা সমগ্ৰ দেশতে প্ৰচাৰৰ বাবে দেশৰ ৪৫ হাজাৰ পুথিভঁড়ালৈ মহাবীৰ লাচিত বৰফুকন শীৰ্ষক এখনি গ্ৰন্থ প্ৰেৰণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰকাশন পৰিষদক লাচিত বৰফুকনৰ জীৱন সন্দৰ্ভত এখন গ্ৰন্থ ৰচনা কৰি ভাৰতৰ সংবিধান স্বীকৃত আটাইকেইটা ভাষালৈ অনুবাদ কৰাৰ বাবে  দায়িত্ব অৰ্পন কৰিছিল। এই অনুসৰি প্ৰকাশন পৰিষদে বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ পুথি ভঁৰালৰ লগতে সমগ্ৰ দেশৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত পুথিভঁৰালসমূহলৈ গ্ৰন্থখনৰ দুটাকৈ কপি প্ৰেৰণ কৰিছে। অসম প্ৰকাশন পৰিষদে বিশিষ্ট লেখক অৰূপ কুমাৰ দত্তক গ্ৰন্থখন ৰচনাৰ দায়িত্ব দিছিল।  শ্ৰী দত্তই ৰচনা কৰা **আচামছ্ ব্ৰেভহাৰ্ট লাচিত বৰফুকন** নামৰ মূল গ্ৰন্থখনৰ পৰা মুঠ ২৪ টা ভাষালৈ ইয়াক অনুবাদ কৰা হয়। এই সন্দৰ্ভত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এইদৰে কয়—

***(বাইট ঃ  প্ৰমোদ কলিতা)***

0000000

গুৱাহাটী মহানগৰীক বানমুক্ত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ত শেহতীয়াকৈ এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি কালত ৰাজ্য চৰকাৰে এই পদক্ষেপসমূহ শপতনামা ৰূপত ন্যায়ালয়ত দাখিল কৰে। ৰাজ্য চৰকাৰৰ হৈ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অতিৰিক্ত সচিব আল আজাহাৰ আলীয়ে দাখিল কৰা শপতনামাত সন্নিবিষ্ট তথ্য অনুসৰি মহানগৰীৰ মাজেৰে বৈ যোৱা বাহিনী নৈৰ খনন আৰু সংৰক্ষণৰ বাবে ১৮৩ কোটি টকাৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে। ইতিমধ্যে প্ৰস্তাৱিত প্ৰকল্প ব্যয়সহ বিস্তৃত প্ৰতিবেদন এছিয়ান ডেভেলপমেণ্ট বেংকত দাখিল কৰা হৈছে। এই প্ৰকল্পৰ অধীনত গ্ৰহণ কৰা আন কেইবাটাও পদক্ষেপৰ ভিতৰত মেঘালয়ৰ পৰা নামি অহা পানীৰ ঢল ৰাষ্ট্ৰীয় ঘাইপথৰ কাষেৰে পামহী নদীলৈ বোৱাই নিয়াৰ পৰিকল্পনা কৰা হৈছে।

0000000

বিহু আৰু ঝুমইৰ দৰে বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত জিলিকাই তোলাৰ বাবে অসম চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত সাংস্কৃতিক পৰিক্ৰমা  বিভাগ, বড়ো সাহিত্য সভা, সদৌ বড়ো ছাত্ৰ সন্থা, দুলাৰায় বড়ো হৰিমুৰা আফাত আৰু দুলাৰায় বাথৌ গৌথুমৰ প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত বিশেষজ্ঞ সমিতি, মুখ্য প্ৰশিক্ষক, নৃত্য দল বাচনি, সমষ্টিভিত্তিক কৰ্মশালা আৰু গুৱাহাটীত হ'বলগীয়া চূড়ান্ত অনুশীলনকে ধৰি সকলোবোৰ বিষয় বিতংভাৱে আলোচনা কৰা হয়। এই অনুষ্ঠান যাতে নিয়াৰিকৈ অনুষ্ঠিত কৰিব পাৰি তাৰ বাবে আৰম্ভণিৰ পৰাই এই দিশত মনোনিবেশ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

0000000

গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত চলি থকা অতিপাত গৰম আৰু আৰ্দ্ৰ পৰিবেশৰ পৰা ৰাইজে পৰৱৰ্তী ২৪ ঘণ্টাত কিছু  সকাহ পোৱাৰ সম্ভাৱনা আছে। কাইলৈৰ পৰা ৰাজ্যখনৰ বিভিন্ন অঞ্চলত কেইবাদিনো ধৰি বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। কালি ৰাজ্যখনৰ ভিতৰত ডিব্ৰুগড়ত সৰ্বোচ্চ ৩৮ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ উষ্ণতা ৰেকৰ্ড কৰা হয়। আজি গুৱাহাটী আৰু ইয়াৰ কাষৰীয়া অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ৩৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ড্ৰিগ্ৰী ছেলছিয়াছৰ আশে পাশে থাকিব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। গুৱাহাটী মহানগৰীত প্ৰচণ্ড গৰমৰ বাবে জনজীৱন ব্যাহত হোৱাৰ সন্দৰ্ভত এইয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা-হেমন্ত বৰা

-ভইচ-

ইপিনে, তিনিচুকীয়া জিলাৰ ডুমডুমাৰ তাৰা চাহ বাগিছাত প্ৰচণ্ড গৰমৰ বাবে চাহ বাগিছাত কাম কৰি থকাৰ সময়তে কালি এজন শ্ৰমিকৰ মৃত্যু হয়। নতুনকৈ ৰোপণ কৰা চাহ বাগিছাৰ কাম কৰি থাকোতেই ঢলি পৰা শ্ৰমিকজনৰ ততালিকে বাগিছাৰ চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত লোকজন চুনু চোৰেণ বুলি আমাৰ সংবাদদাতাই জনাইছে।

0000000

হাজোৰ পি এম শ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি ইনলি ফাউণ্ডেচনৰ উদ্যোগত বিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ সৈতে সংগতি ৰাখি লীলাৱতী দাস সোঁৱৰণী কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত হাজো অঞ্চল আৰু পি এমশ্ৰী দমদমা উচ্চতৰ মাধ্যমিক বিদ্যালয় বিষয়ক এটা বিশেষ ৰাউণ্ড থাকিব। বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ উপশমি বিভাগৰ চিকিৎসক তথা আকাশবাণী গুৱাহাটীৰ অংশকালীন বাতৰি পৰিৱেশক ডাঃ সমুজ্জল ভৰদ্বাজে পৰিচালনা কৰিবলগীয়া কুইজ প্ৰতিযোগিতাত স্নাতক পৰ্যায়লৈ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব বুলি বিদ্যালয়খনৰ অধ্যক্ষ সূৰ্যকুমাৰ ভট্টাচাৰ্য আৰু ইনলি ফাউণ্ডেচনৰ অধ্যক্ষ ইন্দ্ৰজিৎ দাসে জনাইছে।

০০০০০০০

ৰাষ্ট্ৰীয় আইনসেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে অনান্য জিলাসমূহৰ লগতে মাজুলি জিলা আইনসেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি জিলাখনত লোক আদালতৰ আয়োজন কৰা হৈছে। লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাদজনিত গোচৰ, চেক বাউন্সৰ গোচৰ, যানবাহন আইন, ১৯৮৮ৰ অধীনৰ গোচৰৰ লগতে আন আন বিষয়ৰ গোচৰসমূহ নিষ্পত্তিৰ দিহা কৰা হৈছে।

০০০০০০০

লৰ্ডছত অনুষ্ঠিত আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত দক্ষিণ আফ্ৰিকা জয়ৰ নিচেই কাষ চাপিছে। খেলখনৰ আজি চতুৰ্থ দিনা জয়লাভৰ বাবে আৰু ৬৯ ৰানৰ লক্ষ্যৰে দক্ষিণ আফ্ৰিকাই নিজৰ দ্বিতীয় ইনিংছ পুনৰ আৰম্ভ কৰিব। কালি দুয়োগৰাকী অপৰাজিত বেটাৰ এইডেন মাৰক্ৰামৰ ১০২ আৰু অধিনায়ক টেম্বা বাভুমাৰ ৬৫ ৰানৰ পৰা আজিৰ খেল পুনৰ আৰম্ভ হ'ব। টেম্বা বাভুমা হেমষ্ট্ৰিঙৰ আঘাটৰ বাবে কিছু সময় খেলপথাৰতে চিকিৎসা ল'বলগীয়া হয় যদিও তেওঁ অধিনায়কোচিত দৃঢ়তাৰে খেলি দলক জয়ৰ দিশত লৈ যায়। বিশেষ কোনো অঘটন নঘটিলে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ২৭ বছৰীয়া ইতিহাসত দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে খিতাপ অৰ্জন কৰিব। দক্ষিণ আফ্ৰিকাই কালি খেলৰ তৃতীয় দিনা ২৮২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা উইকেটৰ বিমিনয়ত ২১৩ ৰান সংগ্ৰহ কৰে।

খেলখনৰ স্কোৰসমূহ এনেধৰণৰ–

অষ্ট্ৰেলিয়া প্ৰথম ইনিংছত ২১২ ৰান, দ্বিতীয় ইনিংছত ২০৭ ৰান। দক্ষিণ আফ্ৰিকা প্ৰথম ইনিংছত ১৩৮ ৰান, দ্বিতীয় ইনিংছত দুটা উইকেটৰ বিনিময়ত ২১৩ ৰান।

০০০০০০০

গুজৰাটৰ আহমেদাবাদত সংঘটিত বিমান দুৰ্ঘটনাৰ বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমত বহিৰাগতৰ অবাধ আগ্ৰাসনৰ বিপৰীতে প্ৰতিবেশী ৰাজ্য চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। খিলঞ্জীয়াৰ সুৰক্ষাক লৈ তৎপৰ মেঘালয় চৰকাৰ শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে মেডিকেল কলেজৰ হোষ্টেলৰ ছাতত ওলাল দুৰ্ঘটনাগ্ৰস্ত বিমানৰ ব্লেক বক্স-২৭০টা মৃতদেহ উদ্ধাৰ, ৭টা মৃতদেহ চিনাক্ত শিৰোনামেৰে আহমেদাবাদৰ বিমান দুৰ্ঘটনাৰ বাতৰি প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে মধ্যপ্ৰাচ্যত পাৰমাণৱিক যুদ্ধৰ

আশংকাৰ এটা বাতৰি ইজৰাইলৰ আক্ৰমণত ইৰাণৰ সেনাধ্যক্ষ তথা পৰমাণু বিজ্ঞানী নিহত হোৱাৰ বিষয়ে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে আহমেদাবাদৰ বিমান দুৰ্ঘটনাত নিহত লোকৰ মৃতদেহ চিনাক্তকৰণৰ বাবে ডি এন এ পৰীক্ষা কৰা হ'ব বুলি বাতৰি প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে সত্ৰৰ ভূমি বেদখলক লৈ বাতৰি প্ৰকাশ কৰিছে। এই একেখন কাকতে বিশিষ্ট কবি বিপুল কুমাৰ দত্তৰ বিয়োগৰ খবৰো প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ধুবুৰী জিলাত নিশা দুষ্কৃতিকাৰীক দেখাৰ মাত্ৰেই গুলীচালনাৰ নিৰ্দেশ দিয়া বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে আহমেদাবাদৰ দুৰ্ঘটনাৰ বাতৰিটোত বিমানখন সন্দৰ্ভত DREAMLINER SAFE PLANE BUT HAD ISSUES IN PAST শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

০০০০০০০

বিশিষ্ট চিকিৎসক, সমাজসেৱক, নাট্যকাৰ তথা লায়নছ ক্লাব মৰাণ শাখাৰ প্ৰাক্তন সভাপতি ডাঃ প্ৰতাপ শৰ্মাৰ কালি অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ।

০০০০০০০

সমাপ্ত